**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 11-04-2026
**Time:** 1340 Hrs

***Assamese Midday Bulletin***

HEADLINES

১। পশ্চিম এছিয়াত উদ্ভৱ হোৱা সংঘাতৰ অৱসান ঘটোৱাৰ উদ্দেশ্যে আমেৰিকা আৰু ইৰাণৰ উচ্চস্তৰীয় প্ৰতিনিধি দল ইছলামাবাদত আলোচনাত বহিবলৈ প্ৰস্তুত হৈছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি মধ্য প্ৰদেশৰ ৰাইছেন জিলাৰ দছেৰা ময়দানত তিনিদিনীয়া উন্নত কৃষি মহোৎসৱ মুকলি কৰে।

৩। শ্ৰীভূমি জিলাৰ কৰিমগঞ্জ উত্তৰ বিধানসভা সমষ্টিৰ বেবিলেণ্ড হাই ইংলিছ স্কুল ভোটকেন্দ্ৰত পুনৰ ভোটগ্ৰহণ চলি আছে।

৪। পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্য্যায়ৰ বাবে ১ হাজাৰ ৪৬৩ খন মনোনয়ন বৈধ বিবেচিত হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ছানৰাইজাৰ্ছ হায়দৰাবাদ পাঞ্জাৱ কিংছৰ আৰু চেন্নাই ছুপাৰ কিংছ আৰু ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooooo

পশ্চিম এছিয়াত উদ্ভৱ হোৱা সংঘাতৰ অৱসান ঘটোৱাৰ উদ্দেশ্যে আমেৰিকা আৰু ইৰাণৰ উচ্চস্তৰীয় প্ৰতিনিধি দল ইছলামাবাদত আলোচনাত বহিবলৈ প্ৰস্তুত হৈছে। এই আলোচনাত অংশগ্ৰহণ কৰাৰ বাবে আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি জে ডি ৱাঞ্চৰ নেতৃত্বত দেশখনৰ প্ৰতিনিধি দলটো এখন চৰকাৰী বিমানেৰে ইতিমধ্যে ইছলামাবাদত উপস্থিত হৈছে। এই প্ৰতিনিধি দলটোত উপ-ৰাষ্ট্ৰপতিগৰাকীৰ লগতে আমেৰিকাৰ বিশেষ কটকী ষ্টীভ উইটকফ আৰু উপদেষ্টা জেৰেট কুশ্নাৰেও দেশখনৰ হৈ আলোচনাত ভাগ ল'ব।

পাকিস্তান অভিমুখে ৰাওনা হোৱাৰ পূৰ্বে আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে যুদ্ধৰ অৱসান ঘটোৱাৰ উদ্দেশ্যে হ'বলগীয়া বৈঠকখনলৈ আগ্ৰহেৰে অপেক্ষা কৰা বুলি উল্লেখ কৰি এই আলোচনা ফলপ্ৰসূ হ'ব বুলি আশা ব্যক্ত কৰে। ইৰাণৰ পক্ষই সদিচ্ছাৰে আলোচনাত বহিবলৈ আগবাঢ়ি আহিলে আমেৰিকাই নিশ্চিতভাৱে হাত আগবঢ়াই দিব বুলি উল্লেখ কৰি তেওঁ কয়, যে ইয়াৰ অন্যথা তেওঁলোকে আমেৰিকাৰ সৈতে খেলা কৰিবলৈ বিচাৰিলে আলোচনাত ভাগ লোৱা তেওঁলোকৰ দলটোৱে সঁহাৰি জনাব নোৱাৰিব।

ইৰাণৰ হৈ এই বৈঠকত দেশখনৰ সংসদৰ অধ্যক্ষ মহম্মদ বাঘেৰ গালিবাফে দেশখনক প্ৰতিনিধিত্ব কৰিব। সামাজিক মাধ্যমযোগে প্ৰচাৰ কৰা এটা বাৰ্তাত শ্ৰীগালিবাফে কয়, যে ইয়াৰ পূৰ্বে আলোচনাৰ প্ৰাৰম্ভিক প্ৰস্তুতি হিচাপে উভয় পক্ষই সন্মতি প্ৰকাশ কৰা বিষয়সমূহৰ মাজৰ লেবাননৰ যুদ্ধবিৰতি আৰু ব্যৱহাৰ কৰিব

নোৰৱাকৈ ৰখা ইৰাণৰ সম্পদসমূহ মুকলি কৰি দিয়াৰ চৰ্ত বৰ্তমানলৈ পূৰণ কৰা হোৱা নাই। আলোচনা আৰম্ভ হোৱাৰ আগতে এই দুয়োটা চৰ্ত কাৰ্য্যকৰী হ'ব লাগিব বুলিও তেওঁ নিশ্চিত কৰি দিয়ে।

উল্লেখযোগ্য যে, দেশ দুখনৰ মাজৰ বৈঠকত ইৰাণৰ পাৰমাণৱিক সমৃদ্ধি আঁচনি, বেলিষ্টিক ক্ষেপণাস্ত্ৰৰ বিকাশ আৰু হৰমুজ প্ৰণালীৰে জাহাজৰ সৰবৰাহৰ দৰে বিষয়সমূহে স্থান লাভ কৰিব বুলি আশা কৰা হৈছে। মাৰ্কিন ৰাষ্ট্ৰপতি ট্ৰাম্পে দুসপ্তাহৰ বাবে যুদ্ধবিৰতি ঘোষণা কৰাৰ পৰৱৰ্তী পৰ্য্যায়ত এই আলোচনা আৰম্ভ কৰিবলৈ লোৱা হৈছে। সাম্প্ৰতিক পৰিস্থিতিতো হৰমুজ প্ৰণালী ব্যৱহাৰৰ বিষয়টো উভয় পক্ষৰ মাজৰ উত্তেজনাৰ গুৰুত্বপূৰ্ণ অংশ হিচাপে চিহ্নিত হৈ আছে। ইৰাণে হৰমুজ প্ৰণালীত নিজৰ অধিকাৰ অক্ষুণ্ণ ৰখাৰ বাবে ১০ দফীয়া পৰিকল্পনাৰ প্ৰস্তাৱ আগবঢ়োৱাৰ লগতে নিৰ্ধাৰিত সময়সীমাতকৈ অতিৰিক্ত সময়ৰ যুদ্ধবিৰতিৰে সংঘাতৰ স্থায়ী সমাধানৰ পোষকতা কৰিছে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি মধ্য প্ৰদেশৰ ৰাইছেন জিলাৰ দছেৰা ময়দানত তিনিদিনীয়া উন্নত কৃষি মহোৎসৱ মুকলি কৰে। আজিৰে পৰা ১৩ এপ্ৰিললৈ অনুষ্ঠিত হ'বলগীয়া এই মহোৎসৱত ড্ৰ'ণ, সৌৰ পাম্প আৰু ক্ষুদ্ৰ জলসিঞ্চনকে ধৰি অত্যাধুনিক প্ৰযুক্তিসমূহ প্ৰদৰ্শন কৰা হ'ব। মহোৎসৱৰ সময়ছোৱাত বিশেষজ্ঞসকলে কৃষিত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ পৰা সংহত কৃষি পদ্ধতিলৈ বিভিন্ন দিশ সামৰি ২০ টা বিষয়ত খেতিয়কৰ সৈতে পোনপটীয়াকৈ মত-বিনিময় কৰিব। মহোৎসৱত ৩০০ ৰো অধিক প্ৰদৰ্শনকাৰী আৰু ৫০ হাজাৰৰো অধিক খেতিয়কে অংশগ্ৰহণ কৰাৰ কথা। ১৩ এপ্ৰিলৰ সামৰণি অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী উপস্থিত থাকিব।

০০০০০০০

দেশে আজি সমাজ সংস্কাৰক মহাত্মা জ্যোতিবা ফুলেৰ ২০০ সংখ্যক জন্মবাৰ্ষিকীত তেওঁৰ প্ৰতি শ্ৰদ্ধা জনাইছে। ১৮২৭ চনৰ আজিৰ দিনটোতে জন্মগ্ৰহণ কৰা মহাত্মা ফুলেই তেওঁৰ পত্নী সাবিত্ৰী ফুলেৰ সৈতে মহিলাৰ শিক্ষা আৰু সৱলীকৰণৰ হকে কাম কৰাৰ উপৰি বৈষম্য দূৰ কৰাৰ বাবে যুঁজ দিছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সংসদভৱন চৌহদৰ প্ৰেৰণাস্থলত থকা জ্যোতিবা ফুলেৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি তৰ্পণ কৰে। মহাত্মা ফুলেৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি দেশৰ বিভিন্ন প্ৰান্তত আজি ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সামাজিক মাধ্যম যোগে দিয়া এটা বাৰ্তাত কয় যে মহাত্মা ফুলেই সমাজৰ উপান্ত শ্ৰেণীৰ লোকৰ উন্নয়নৰ বাবে জীৱন উৎসৰ্গা কৰিছিল। তেওঁ লগতে কয় যে, সমাজ সংস্কাৰক গৰাকীয়ে মহিলা শিক্ষাৰ অগ্ৰগতিৰ বাবে আগবঢ়াই যোৱা অৱদানে সমাজ সংস্কাৰ আৰু অন্তঃভূক্তিৰ দীৰ্ঘস্থায়ী ধাৰাৰ প্ৰৱৰ্তন কৰিছে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ বাৰ্তাত বৈষম্যহীন আৰু ন্যায্য সমাজৰ ভেটি গঢ়াৰ ক্ষেত্ৰত মহাত্মা ফুলেৰ অৱদানৰ কথা স্মৰণ কৰে। তেওঁ লগতে সমতা, সামাজিক ন্যায় আৰু সৱলীকৰণৰ এই আৰ্দশৰাজিয়ে অনাগত প্ৰজন্মক এখন সৰ্বাত্মক ভাৰত গঢ়িবলৈ অনুপ্ৰেৰণা যোগাই যাব বুলি আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়েও মহান সমাজ সংস্কাৰক গৰাকীক নৈতিক সাহস, আত্মদৃষ্টি আৰু সমাজৰ কল্যাণৰ প্ৰতি অভূৰ্তপূৱ উৎসৰ্গাৰ প্ৰেৰণাদায়ক উদাহৰণ বুলি অভিহিত কৰে। মহাত্মা ফুলেৰ ২০০ বছৰীয়া বাৰ্ষিকৰ উপলক্ষে লিখা এটা নিৱন্ধ শ্বেয়াৰ কৰি শ্ৰীমোডীয়ে কয় যে সমাজ সংস্কাৰক গৰাকীয়ে শিক্ষা, জ্ঞান

আৰু ৰাইজৰ কল্যাণৰ বাবে জীৱন উৎসৰ্গা কৰি থৈ গৈছে। ফুলেৰ জীৱনজোৰা প্ৰচেষ্টাই এখন প্ৰবুদ্ধ সমাজ গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি শ্ৰীমোডীয়ে মন্তব্য কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও জন্মবাৰ্ষিকী উপলক্ষে মহাত্মা জ্যোতিবা ফুলেৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিছে। শ্ৰীশ্বাহে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে, জ্যোতিবা ফুলে এনে এগৰাকী বিশিষ্ট শিক্ষাবিদ আছিল যিয়ে শিক্ষা সমাজ সংস্কাৰৰ আটাইতকৈ ফলপ্ৰসূ মাধ্যম বুলি গণ্য কৰিছিল। মহাত্মা ফুলেই মহিলাৰ শিক্ষা আৰু সবলীকৰণৰ ক্ষেত্ৰত অভূতপূৰ্ব অৱদান আগবঢ়াই থৈ গৈছে  বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০০

শ্ৰীভূমি জিলাৰ কৰিমগঞ্জ উত্তৰ বিধানসভা সমষ্টিৰ বেবিলেণ্ড হাই ইংলিছ স্কুল ভোটকেন্দ্ৰত আজি পুৱা ৭ বজাৰ পৰা পুনৰ ভোটগ্ৰহণ চলি আছে। যোৱা বৃহস্পতিবাৰে অনুষ্ঠিত ভোটগ্ৰহণ সম্পৰ্কীয় প্ৰতিবেদন আৰু সামগ্ৰিক পৰিস্থিতি পৰ্যালোচনা কৰি নিৰ্বাচন আয়োগৰ সচিবালয়ে জনপ্ৰতিনিধিত্ব আইন ১৯৫১ৰ ৫৮ নম্বৰ ধাৰা অনুসৰি কেন্দ্ৰটোত হোৱা ভোটগ্ৰহণ বাতিল কৰিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি পুনৰ ভোটকেন্দ্ৰটোত ভোটগ্ৰহণ কৰা হৈছে। এই সন্দৰ্ভত আমাৰ শ্ৰীভূমি জিলাৰ সংবাদদাতা জাকাৰিয়া ৰহমানে এইদৰে কয়।

(বাইট)

কেন্দ্ৰটোত শান্তিপূৰ্ণভাৱে পুনৰ ভোটগ্ৰহণ সম্পন্ন কৰাৰ লক্ষ্যৰে প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। পুনৰ ভোটগ্ৰহণ উপলক্ষে আজি আবেলি ৫ বজালৈ শ্ৰীভূমি পৌৰসভাৰ অধীনস্থ সমগ্ৰ অঞ্চলটোত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে।

০০০০০০০

পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্য্যায়ৰ বাবে মনোনয়ন পত্ৰ পৰীক্ষাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। এই পৰ্য্যায়ৰ বাবে দাখিল কৰা ১ হাজাৰ ৫২৫ খন মনোনয়নৰ ভিতৰত ১ হাজাৰ ৪৬৩ খন বৈধ  বিবেচিত হৈছে আৰু ৬২ খন প্ৰত্যাখান কৰা হৈছে। ৰাজ্যখনত অহা ২৯ এপ্ৰিলত দ্বিতীয় পৰ্য্যায়ত ১৪২ টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।  এই পৰ্য্যায়ৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ১৩ এপ্ৰিল ধাৰ্য্য কৰা হৈছে। ইপিনে, ৰাজ্যখনৰ  ১৬ খন জিলাৰ ১৫২ টা সমষ্টিত অহা ২৩ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। এই পয্যায়ত ১ হাজাৰ ৪৭৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে।

ৰাজ্য খনত পূৰ্বৰ নিৰ্বাচনৰ তুলনাত এইবাৰ প্ৰাৰ্থীৰ সংখ্যা কিছু বৃদ্ধি পাইছে। কোচবিহাৰ দক্ষিণ আৰু ইটাহাৰ সমষ্টিৰ পৰা সৰ্বাধিক ১৫ গৰাকীকৈ প্ৰাৰ্থী নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। চন্দ্ৰকনা সমষ্টিত সৰ্বনিম্ন ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে।

০০০০০০০

মহাৰাষ্ট্ৰৰ হিংগোলী, নন্দেড় আৰু পৰভানী জিলাৰ অংশবিশেষত আজি পুৱাৰ ভাগত এটা মৃদু ভূমিকম্প অনুভূত হয়। আজি পুৱা প্ৰায় ৮ বাজি ৪৫ মিনিটত হোৱা এই ভূমিকম্পৰ ৰিখটাৰ স্কেলৰ প্ৰাবল্য ৪ দশমিক ৭ আছিল বুলি ঠাৱৰ কৰা হৈছে। নন্দেড় জিলাৰ  নন্দেড়, আৰ্ধাপুৰ, মুড়খেড়, নয়ীগাঁও, হাড়গাঁও, হিমায়ৎনগৰকে ধৰি ভালেমান এলেকাত এই জোকাৰণি অনুভূত হোৱাৰ ফলত নগৰ আৰু গাঁও অঞ্চলৰ

ভালেমান বাসিন্দা আতংকগ্ৰস্ত হৈ ঘৰৰ বাহিৰলৈ ওলাই আহে। এই বাতৰি যুগুতোৱাৰ পৰলৈ ভূমিকম্পৰ ঘটনাটোত কোনো লোক হতাহত হোৱাৰ বাতৰি পোৱা হোৱা নাই।

প্ৰশাসনৰ তথ্য অনুসৰি, হিংগোলী জিলাৰ শ্বিৰ্লি গাঁৱৰ উত্তৰ দিশত ভূমিকম্পটোৰ অভিকেন্দ্ৰ নিশ্চিত কৰা হৈছে। হিংগোলী, নন্দেড় আৰু পৰভানী জিলাৰ প্ৰশাসনে জনসাধাৰণক আতংকগ্ৰস্ত নহ'বলৈ আৰু কোনো ধৰণৰ উৰা বাতৰিক বিশ্বাস নকৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। ইয়াৰে বিয়লি চাৰে ৩ বজাত নিউ চণ্ডীগড়ৰ মুল্লানপুৰত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া আনখন খেলত চেন্নাই ছুপাৰ কিংছ আৰু ডেলহী কেপিটেলছ মুখামুখি হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৬ উইকেটত পৰাস্ত কৰি একেৰাহে চতুৰ্থখন খেলত বিজয় সাব্যস্ত কৰে।

০০০০০০০

সমাপ্ত